AADHAAR

**মাপাংক- 1**

# ইউ আই ডি এ আই আৰু আধাৰৰ প্ৰাথমিক জ্ঞান

**ইউ আই ডি এ আই**

**ভাৰতীয় অনন্য পৰিচয় প্ৰাধিকৰণ**

# পাতনি

এই প্ৰশিক্ষণ পুস্তিকাই ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণ (ইউ আই ডি এ আই) আৰু আধাৰৰ বিষয়ে পৰিচয় কৰাই দিয়ে।

এই সংস্কৰণৰ উদ্দেশ্য হৈছে সকলো পাঠকক ইউআইডিএআই আৰু আধাৰৰ বিষয়ে নিৰ্দিষ্ট প্ৰাথমিক শিক্ষা দিয়া আৰু পৰিচয় কৰাই দিয়া। পৰিচয় বিষয়ক সমস্যা আৰু চৰকাৰৰ তৰফৰ পৰা দিয়া এটা সমাধান-যাৰ নাম হৈছে আধাৰ, এই মূল ধাৰণাসমূহক লৈ এই পুস্তিকাখন প্ৰস্তুত কৰি উলিওৱা হৈছে। এই পুস্তিকাৰ এটা বৃহৎ অংশই ইউআইডিএআইৰ লক্ষ্য আৰু উদ্দেশ্য সামৰি লৈছে। ক্ৰমে তাৰ পিছৰ অংশত আছে ইউআইডিএআইৰ পৰিৱেশ অনুকুল ব্যৱস্থাৰ বিষয়ে। কিতাপ খনৰ চূড়ান্ত অংশত উল্লেখ আছে সকলোৰে বাবে আধাৰৰ পৰা কি কি লাভালাভ আৰু সুবিধা হ'ব পাৰে সেই বিষয়ে। লগতে এই তথ্যখিনিয়ে মানুহ এজনৰ বিশেষ একক পৰিচয় সম্পৰ্কীয় সকলো বিষয়ৰ বিতং অধ্যয়নো আগবঢ়াইছে। ইয়াত এই বিষয়ক উদাহৰণ আৰু বাস্তৱ জীৱনৰ প্ৰতিচ্ছবি সমূহৰ উল্লেখ আছে।

## কোনবোৰ শ্ৰোতাক লক্ষ্য কৰা হৈছে

- তালিকাভূক্তিকৰণ অপাৰেটৰ সকল
- তালিকাভূক্তিকৰণ এজেঞ্চি চুপাৰভাইজাৰসকল
- পঞ্জীয়কৰ চুপাৰভাইজাৰসকল
- পৰিচয় কৰাই দিওঁতা
- কাৰিকৰী সহযোগী কৰ্মী
- ইউআইডিএআই আৰু আধাৰৰ বিষয়ে জানিব বিচৰা যিকোনো ব্যক্তি

## নিৰ্ভৰশীল নাইবা প্ৰাসঙ্গিক মাপাংক

এই পুস্তিকা খন পঢ়িবলৈ ইউআইডিএআই নাইবা আধাৰৰ বিষয়ে আগতীয়াকৈ একো জ্ঞানৰ প্ৰয়োজন নাই। আধাৰৰ প্ৰশিক্ষণ কাৰ্য্যসূচীৰ বাবে প্ৰস্তুত কৰা এইখনেই হৈছে প্ৰথম মাপাংক আৰু ই সকলো অংশগ্ৰহণকাৰীৰ বাবে উপযোগী। তলত উল্লেখিত সকলো মাপাংকত এইটো ধাৰণা কৰা হয় যে এই মাপাংক অংশগ্ৰহণকাৰীয়ে নিজে সম্পূৰ্ণ কৰিছে।

# বিষয় সূচী

উদ্দেশ্য ........ 1
ভাৰতীয় একক পৰিচয় প্ৰাধিকৰণ

আপুনি অদ্বিতীয় .......... 1
কুইজ .......... 3
আপোনাৰ একক পৰিচয় থকা বুলি প্ৰমাণ কৰিলে হ'ব পৰা লাভালাভসমূহ .......... 3
আপোনাৰ পৰিচয় প্ৰমাণ কৰক! .......... 4
পৰিচয়ৰ সত্যতা নিৰূপণ .......... 5
আধাৰ-এক চৰকাৰী সমাধান .......... 8
ভাৰতীয় অনন্য পৰিচয় প্ৰাধিকৰণ (ইউআইডিএআই) .......... 9
ইউআইডিএআই (UIDAI) ৰ লক্ষ্য আৰু অভিযান .......... 10
ইউ আই ডি এ আই ইক' চিষ্টেম .......... 13
কুইজ .......... 15
সকলোৰে বাবে আধাৰৰ লাভালাভসমূহ .......... 15
যোগাযোগ আৰু সচেতনতা সৃষ্টি-এই শব্দৰ ব্যাপক প্ৰচাৰ .......... 17
সংক্ষিপ্ত ৰূপ/ চমু নাম .......... 20

## উদ্দেশ্য

এই মাপাংকত আপুনি শিকিব পাৰিব-

- ইউআইডি (অনন্য পৰিচয়) নম্বৰ/আধাৰ মানে কি
- ভাৰতীয় অনন্য পৰিচয় প্ৰাধিকৰন (ইউআইডিএআই)-ৰ উদ্দেশ্যবোৰ কি কি

## আপুনি অদ্বিতীয়

আপোনাৰ জন্ম হোৱাৰ মুহুৰ্তত গোটেই ভাৰতত জন্ম হোৱা হাজাৰ হাজাৰ শিশুৰ দৰে দেখাত একে আছিল। তাৰে কেইমাহমানৰ পিছত আপোনাৰ পিতৃমাতৃয়ে আপোনাক এটা নাম দিছিল। সেই নামটোৱে আপোনাক অন্য হাজাৰ হাজাৰ শিশুৰ পৰা পৃথক কৰিছিল।



কিন্তু সেয়া যথেষ্ট নহয়। অন্য আৰু কি কি উপাদান আছে যিয়ে আপোনাক চিনাকি কৰাই আপুনি-অদ্বিতীয়, অৰ্থাৎ আপোনাক অন্যৰ পৰা পৃথক কৰি তোলে ?

- নাম
- জন্মৰ স্থান
- জন্মৰ তাৰিখ
- লিংগ
- পিতৃ / স্বামী / মাতৃ / পত্নী / অভিভাৱকৰ নাম
- পঢ়া-শুনা কৰা স্কুল /কলেজৰ নাম
- ঠিকনা


তলত দিয়া বিভিন্ন প্ৰমাণ-পত্ৰৰ জৰিয়তে ওপৰত উল্লেখ কৰা সকলো তথ্যবোৰৰ সত্যতা নিৰ্ণয় কৰিব পাৰি, যেনে:

- জন্মৰ প্ৰমাণপত্ৰ
- স্কুল এৰা প্ৰমাণপত্ৰ
- ৰেচন কাৰ্ড
- ড্ৰাইভিং লাইচেন্স ইত্যাদি

কিন্তু ইয়াৰে কোনো এটাও সম্পূৰ্ণ প্ৰমাণ নহয়। কিছুমান পৰিস্থিতিত ই বৰ কঠিন হৈ পৰে- যেনে-


- আপোনাক নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিবলৈ
- অন্য কোনো মানুহ অথবা সংস্থাক আপোনাৰ পৰিচয়ৰ সত্যতা নিৰূপন কৰিবলৈ।

আজিকালি প্ৰযুক্তিবিদ্যাই আমাৰ শাৰীৰিক গঠন কিছুমানৰ সবিশেষ তথ্য যিবোৰে আমাক অন্যৰ পৰা পৃথক কৰি তোলে সেইবোৰ সংগ্ৰহ কৰি থোৱাত সহায় কৰে। সেইবোৰ হৈছে-



চিত্ৰ ১: হাতৰ আঙুলিৰ ছাপ

**হাতৰ আঙুলিৰ ছাপ** - আমাৰ হাতৰ আঙুলিৰ মূৰত থকা ৰেখাসমূহ অনন্য আৰু সেইবোৰৰ ফটো তুলি ভৱিষ্যতৰ প্ৰয়োজনৰ বাবে সংৰক্ষণ কৰি ৰাখিব পাৰি। আমাৰ ন্যায় ব্যৱস্থা (আদালত) আৰু বিত্তীয় প্ৰতিষ্ঠান (বেংক)ৰ লগতে অন্য বিভিন্ন সংস্থাই ইয়াক পৰিচয় চিনাক্তকৰণৰ মাধ্যমৰূপে গ্ৰহণ কৰিছে।



ছবি 2: মণিবলয়

**মুখাবয়ৱৰ ফটো**- আমাৰ পৰিচয় নিৰ্ণয় কৰিবলৈ আটাইতকৈ বেছি ব্যৱহৃত এটা উপাদান হৈছে আমাৰ মুখাবয়ৱৰ ফটোখন। মুখাবয়ৱৰ স্বীকৃতি হৈছে এনে এক প্ৰক্ৰিয়া যাৰ যোগেদি কোনো নিৰ্দিষ্ট মুখৰ গঢ় গঠন চাই কোনো এখন ফটো অথবা ভিডিঅ'ৰ পৰা মানুহ এজন চিনি উলিয়াব পাৰি। হাতৰ আঙুলিৰ ছাপৰ দৰে কোনো মানুহৰ মুখাবয়ৱৰ গঢ়-গঠনো আহৰন কৰি সঞ্চয় কৰি থব পাৰি।

**চকুৰ মণিবলয়** - ই চকুৰ এটা অংশ যি হাতৰ আঙুলিৰ দৰে প্ৰত্যেকজন মানুহৰ শৰীৰত বেলেগ আৰু একক ভাৱে থাকে। আজিকালি, মানুহৰ ফটো এখনৰ নিচিনাকৈ চকুৰ মণিবলয় সবিশেষো সংগ্ৰহ কৰি থোৱা সম্ভৱ হৈছে।

কোনো এজন মানুহক সঠিকভাৱে চিনি পাবলৈ মানুহ জনৰ জন্মৰ প্ৰমাণ-পত্ৰ, ৰেচন কাৰ্ড ইত্যাদি নথিৰ লগতে ওপৰৰ কোনোবা এটা অথবা সকলোকেইটা উপায় ব্যৱহাৰ কৰিব পাৰি।

## টোকা: ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য

এজন মানুহৰ সৱিশেষ যিবোৰ তথ্য চৰকাৰী কাৰ্য্যালয়ৰ পৰা গোটাব পাৰি যেনে-নাম, জন্মৰ তাৰিখ, ঠিকনা ইত্যাদিবোৰকে 'ডেম'গ্ৰাফিক' তথ্য বুলি কোৱা হয়।এই ধৰণৰ তথ্যবোৰ জাতি, বয়স, শিক্ষা, ধৰ্ম, বৃত্তি ইত্যাদি সম্পৰ্কীয় হয়। ডেম'গ্ৰাফিক তথ্যবোৰ সাধাৰণতে পাচপ'ৰ্ট, ৰেচন কাৰ্ড, স্কুলত নামভৰ্তি আদিৰ বাবে আবেদন জনাওতে সংগ্ৰহ কৰা হয়।

বায়'মেট্ৰিক তথ্যৰ সম্পৰ্ক হল আমাৰ শৰীৰ আৰু বিভিন্ন অংগৰ সৈতে শৰীৰৰ বিভিন্ন চাৰিত্ৰিক বৈশিষ্ট্য সমূহ যেনে চকুৰ মণিবলয়, হাতৰ আঙুলিৰ ছাপ, চেহেৰা ইত্যাদিক বায়'মেট্ৰিক তথ্য বুলি কোৱা হয়।

## কুইজ

1. “ইউনিক”শব্দটোৰ অৰ্থ কি?
2. চকুৰ মণিবলয় আপোনাৰ শৰীৰৰ কোনটো অংগত বিচাৰি পাব?
3. “ডেম’গ্ৰাফিক”শব্দটোৰ অৰ্থ কি?
4. “বায়’মেট্ৰিক” শব্দটোৰ অৰ্থ কি?

## আপোনাৰ একক পৰিচয় থকা বুলি প্ৰমাণ কৰিলে হ’ব পৰা লাভালাভসমূহ


আপুনি ভাবকচোন, আমি সকলো মানুহবোৰ দেখাত যদি একে হ’লহেতেন আৰু যদিহে আমাৰ নামবোৰ একে হ’লহেতেন তেতিয়া বাৰু কি হ’লহেতেন?

বিশৃংখলা!গতিকে, আপুনি যদি নিজৰ পৰিচয় প্ৰমাণ কৰিব পাৰে তেন্তে আপুনি বাৰু কি কি সুবিধা পাব?

- আপোনাৰ এটা বেংক একাউন্ট থাকিব যিটো অন্য কোনেও চলাব নোৱাৰে। তাৰ মানে সেই বেংক একাউন্টত থকা টকা আপোনাৰ বাহিৰে অন্য কোনেও উলিয়াব নোৱাৰে!
- আপুনি এটা লেণ্ডলাইন বা মোবাইল ফোনৰ সংযোগ ল’ব পাৰিব।
- আপুনি এটা ঘৰ, দোকান ল’ব পাৰিব নাইবা কোনো ব্যৱসায় চলাব পাৰিব যিটো আপোনাৰ পৰা অন্য কোনেও কাঢ়ি নিব নোৱাৰিব।
- যদিহে আপুনি অৱহেলিত আৰু বঞ্চিত, চৰকাৰে ৰাজসাহায্যযুক্ত খাদ্য আবন্টন দিয়াৰ উপৰিও অন্যান্য যিবোৰ সা-সুবিধা পাবৰ বাবে আপুনি উপযুক্ত সেইবোৰ প্ৰদান কৰি আপোনাক সহায় কৰিব।

আপুনি নিজৰ একক পৰিচয় প্ৰমাণ কৰি অন্যান্য সা-সুবিধা পাবৰ কাৰণে আগবাঢ়ি আহিব পাৰিবনে?

## আপোনাৰ পৰিচয় প্ৰমাণ কৰক।



**উদাহৰণ ১:** সুনীল কুমাৰ, পেছাত এজন মটৰ মেকানিক, তেখেত এখন বেলেগ ৰাজ্যৰ পৰা আহিছে, তেওঁ কোনোবা ৰাষ্ট্ৰীয়কৃত বেংক এটাত জমাপুজিৰ একাউন্ট খুলিব খোজে। বেংকে তেওঁক একাউন্ট খোলা প্ৰপত্ৰখন ভৰাই তেওঁৰ পৰিচয় পত্ৰ আৰু ঠিকনাৰ প্ৰমাণ পত্ৰৰ সৈতে একেলগে জমা দিবলৈ ক'লে। সুনীলৰ কোনো পৰিচয় পত্ৰৰ প্ৰমাণ নথকাত অৱশেষত বেংকে একাউন্ট খোলাত অগ্ৰাহ্য কৰিলে। এতিয়া সুনীলে অৰ্জন কৰা টকা হয় কোনোবা মানুহৰ ওচৰত ৰাখিব লাগিব নাইবা নিজৰ ঘৰত ৰাখিব লাগিব আৰু কোনোবাই চোৰ কৰি টকাখিনি নিব বুলি নাইবা অন্য যিকোনো কাৰণত হেৰাব পাৰে বুলি পদে পদে শঙ্কাত ভুগিব লাগিব। লগতে বেংকৰ একাউন্ট নথকাৰ বাবে বিভিন্ন চৰকাৰী আঁচনিৰ বিত্তীয় সাহায্য পাবলৈ উপযুক্ত আছিল যদিও বঞ্চিত হৈছে। তাৰ পৰিবৰ্তে তেওঁ বাটৰ কাষত চালি এখন দি মটৰ চাইকেল মেৰামতি কৰা দোকান এখন দিবলগা হৈছে।

**উদাহৰণ ২:** এ আৰ বিজয় আৰু বিজয় আৰ এটা জুপুৰিৰে ভৰা বস্তি অঞ্চলত থাকে যি স্থানত ৰাজ্য চৰকাৰৰৰ দ্বাৰা বস্তি অঞ্চল পুনৰ সংস্থাপন আঁচনিৰ অধীনত নতুনকৈ আৱাসগৃহ নিৰ্মাণ কৰি থকা হৈছে। দুয়োজনেই চৰকাৰে যোগান ধৰা আৱাস পোৱাৰ উপযুক্ত। এ আৰ বিজয়ৰ এই আঁচনিৰ অধীনত নিজৰ যোগ্যতা প্ৰমাণ কৰিবলৈ প্ৰয়োজনীয় প্ৰমাণ পত্ৰ আছিল। দুৰ্ভাগ্যজনকভাৱে বিজয় আৰৰ নিজৰ পৰিচয় প্ৰমাণ কৰিব পৰাকৈ প্ৰয়োজনীয় সকলো নথিপত্ৰ নাছিল। ফলত বিজয় আৰ গৃহহীন আৰু তেওঁ পৰিয়ালৰ সৈতে ফুটপাথত থাকিবলৈ বাধ্য হৈছে, যিহেতু তেওঁ থকা জুপুৰি ঘৰটো যোগ্য আবাসী অথবা সম্পূৰ্ণৰূপে ধন পৰিশোধ কৰা ব্যক্তিৰ বাবে হাউচিং আঁচনিৰ অধীনৰ গৃহলৈ পৰিবৰ্তন কৰা হৈছে।






**উদাহৰণ ৩:** নীতা , এগৰাকী ৬৬ বছৰীয়া দৰিদ্ৰ সীমাৰেখাৰ অধীনত (বিপিএল) পৰা বৃদ্ধা। বিপিএল ব্যক্তিৰ বাবে বহুতো চৰকাৰী আঁচনি আছে। এই আঁচনিবোৰে এনেধৰণৰ বঞ্চিত লোকক খাদ্যৰ আবণ্টন, বৃদ্ধ পেন্সন আদি আগবঢ়ায়। কিন্তু আৰু তেওঁৰ কোনো ধৰণৰ পৰিচয় পত্ৰ নথকাৰ বাবে নীতাই কোনো চৰকাৰী আঁচনিৰ সা-সুবিধা পাব পৰা নাই।

**ওপৰত উল্লেখিত তিনিওটা উদাহৰণ যদি আপুনি ভালদৰে বিবেচনা কৰে, দেখিব তিনিওটা ঘটনাই একেটা সমস্যাকে প্ৰতিফলিত কৰে- সঠিক পৰিচয়পত্ৰৰ অভাৱ আৰু পৰিচয়ৰ প্ৰামাণিকৰণৰ বাবে অনুপযুক্ত প্ৰক্ৰিয়া আৰু যাৰ বাবে নিজৰ এককত্ব প্ৰমাণ কৰিবলৈ অসমৰ্থ। এনেই সাধাৰণভাবে কোনোবাই নিজৰ পৰিচয় যোগাৰ কৰিব পাৰিলেই সেই পৰিচয়পত্ৰ যে এটা বেংক একাউন্ট, এটা ঘৰ নাইবা ৰেচন কাৰ্ড পাব পৰাকৈ যথেষ্ট নহয়, সেই কথাটো বুজি পোৱাটো খুবেই জৰুৰী। কিন্তু অতি পিছপৰা নগন্য আৰু বঞ্চিত সকলক চৰকাৰে ঢুকি পাবলৈ হ'লে তেওঁলোক প্ৰত্যেকৰে সঠিক পৰিচয়পত্ৰ থকাটো জৰুৰী।**

## পৰিচয়ৰ সত্যতা নিৰূপণ

**সত্যতা নিৰূপণ**

নথিপত্ৰ থাকিলে এজন মানুহে নিজৰ পৰিচয় প্ৰতিষ্ঠা কৰিব পাৰে, কিন্তু বিভিন্ন সেৱা আগবঢ়োৱা কোনো সংস্থাই এই প্ৰমাণপত্ৰবোৰৰ কেনেকৈ সত্যতা নিৰূপণ কৰিব আৰু যিজন মানুহে নিজৰ বুলি দাখিল কৰিছে সচাঁকৈয়ে সেইজন মানুহৰে বুলি কিদৰে নিশ্চিত হ'ব ?
প্ৰমাণপত্ৰৰ সত্যতা নিৰূপণৰ কামটো দৈনন্দিন ৰূপত আৰু বহুল ভাৱে প্ৰকৃতাৰ্থত নিৰূপণ কৰাটো সম্ভৱ নহ'ব পাৰে। উদাহৰণস্বৰূপে কোনো এক বৃহৎ সংস্থাৰ কৰ্মচাৰী বা বেংকৰ গ্ৰাহকক ল'ব পাৰি।

এই সমস্যাৰ এক সমাধান পথ হৈছে ব্যক্তিজনৰ ফটো লগোৱা একোখন পৰিচয়পত্ৰ সকলোকে যোগান ধৰা ।

বেংক আৰু বীমা কোম্পানীৰ দৰে কিছুমান প্ৰতিষ্ঠানে ব্যক্তিৰ পৰিচয়ৰ সত্যতা নিৰূপণ কৰিবলৈ ব্যক্তিজনৰ স্বাক্ষৰ নাইবা হাতৰ বুঢ়াআঙুলিৰ ছাপ ব্যৱহাৰ কৰে। এইটো কৰিবলৈ হ'লে যেতিয়াই মানুহবিলাকে বেংক একাউন্ট খোলে নাইবা ইন্সুৰেঞ্চ পলিচিৰ বাবে আবেদন জনায়, তেতিয়াই সকলো মানুহৰে স্বাক্ষৰ আৰু বুঢ়াআঙুলিৰ ছাপৰ নমুনা সংগ্ৰহ কৰিব লাগিব।

বৰ্তমান পৰিস্থিতিত সাধাৰণভাৱে মানুহ এজনৰ পৰিচয়ৰ সত্যতা প্ৰমাণ কৰিবলৈ ৰেচন কাৰ্ড, পিডিএচ ফটো কাৰ্ড, ভোটাৰ পৰিচয়পত্ৰ, কীষান ফটো পাচবুক আদিৰ দৰে প্ৰমাণপত্ৰপ্ৰবিলাক ব্যৱহাৰ কৰিব পাৰি। দৈনন্দিন ব্যৱহাৰৰ কাৰণে ব্যক্তি এজনৰ ফটো পৰিচয়পত্ৰ নাইবা চিনাক্তকৰণ যোগ্য স্বাক্ষৰ বা হাতৰ বুঢ়াআঙুলিৰ ছাপ থকাটো বাধ্যতামূলক।

**কিন্তু যিবোৰ মানুহৰ এনে ধৰণৰ কোনো প্ৰমাণ পত্ৰ নাথাকে তেওঁলোকৰ ক্ষেত্ৰত এই ব্যৱস্থাই সমস্যাটো সমাধান নকৰে। তেনেহ'লে ইয়াৰ সমাধানৰ উপায় কি?**

| টোকা: বাসিন্দা |
|---|
| এজন ভাৰতীয় বাসিন্দা মানে হৈছে এজন ব্যক্তি যি বৰ্তমান ভাৰতত বাস কৰি আছে। |

## বায়'মেট্ৰিক নিশ্চয়তা

ক্ৰেডিট কাৰ্ড জাৰি কৰা নাইবা বেংকৰ ধাৰ মোকলাই দিয়া আদি কাৰ্য্যতো বাসিন্দাৰ পৰিচয় পত্ৰৰ প্ৰতিলিপি নথিৰ প্ৰয়োজন হয়। এই প্ৰক্ৰিয়াত বাসিন্দাজনে নিজৰ পৰিচয় প্ৰমাণ কৰিবলৈ ফটো আৰু অন্যান্য নথি-পত্ৰ জমা দিব লাগে।
চৰকাৰী নথিতো কিছুমান ভুৱা আৰু অস্তিত্বহীন মানুহৰ নাম থাকে (এই নামবোৰক 'ছদ্মনামী' বুলি কোৱা হয়)।

**উদাহৰণ ১:** মানবে ৰোহিতৰ ৰেচন কাৰ্ড আৰু চেক্ বুক থন চোৰ কৰে (ইয়াক পৰিচয় চোৰ কৰা বুলি কোৱা হয়) আৰু ৰোহিত হোৱাৰ ভাও ধৰে (ইয়াক কোৱা হয় ব্যক্তিত্ব আৰোপ কৰা)। মানবে চোৰ কৰা ৰেচন কাৰ্ডখনকে ঠিকনাৰ প্ৰমাণপত্ৰ হিচাপে ব্যৱহাৰ কৰি মাহিলি কিস্তিত এটা টিভি কিনি লয়। যেতিয়া কিস্তি আদায়ৰ কাৰণে দিয়া চেক বাউন্স হয়, দোকানীজন সেই ঠিকনামতে ধন আদায় কৰিবলৈ যায়। ৰোহিত যে দোকানীজনৰ পৰা টিভি কিনা প্ৰকৃত মানুহজন নহয় এই কথা দোকানীজনক বিশ্বাস কৰাবলৈ ৰোহিতৰ বহুত কষ্ট হল।

**উদাহৰণ ২**: একেটা ঘৰত থকা আৰু দেখাত একেধৰণৰ দুই যমজ ভাতৃক আপুনি কিদৰে বিশেষভাৱে পৃথক পৰিচয় চিনি উলিয়াব?
আপুনি বুজিব পাৰিছে যে, কোনো ব্যক্তিৰ একক অদ্বিতীয় পৰিচয়ৰ সত্যতা নিৰূপণ প্ৰক্ৰিয়াটো ইমান সাধাৰণ নহয়। কোনো মাপাংকই মানুহ এজনক বিশেষ অদ্বিতীয় ৰূপে পৰিচিত কৰাব নোৱাৰে।

**তেনেক্ষেত্ৰত আমি দেখিছো যে সত্যতা নিৰূপণৰ কেইবাটাও স্তৰ আছে য'ত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ সংস্থাৰ পৰা সেৱা লাভ কৰিবলৈ হ'লে সেই স্তৰবোৰত আপুনি উপযুক্ত বুলি বিবেচিত হ'ব লাগিব। এইদৰে কেইবাটাও স্তৰ আৰু প্ৰক্ৰিয়াৰ মাজেদি সত্যতা নিৰূপণ কৰোৱা মানে হৈছে বহুতো টকা-পইচা, সময় আৰু প্ৰচেষ্টাৰ অপচয়।**

গতিকে মানুহ এজনৰ পৰিচয়ৰ সত্যতা প্ৰতিপন্ন কৰাৰ যি সমস্যা, তাৰ বাবে বায়'মেট্ৰিক সত্যতা নিৰূপণ প্ৰক্ৰিয়া হৈছে সৰ্বোৎকৃষ্ট আৰু উন্নত ব্যৱস্থা।




**ছবি ৩ : পৰিচয় সূচক নথিপত্ৰ জমা দি বেংক একাউন্ট খোলা হৈছে।**

## আধাৰ-এটা চৰকাৰী সমাধান

ভাৰত চৰকাৰে সকলো ভাৰতীয় নাগৰিকৰ পৰিচয়ৰ সত্যতা নিৰূপণ বাবে এক বিশেষ একক আৰ্হি ব্যৱস্থাৰ সূচনা কৰিলে। এই মতে মানুহ এজনৰ পৰিচয় ভিত্তি কৰিব এক বিশেষ একক নম্বৰৰ ওপৰত যিটো মানুহজনৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্যৰ সৈতে সংযুক্ত থাকিব।এই একক নম্বৰৰ বৈশিষ্টবোৰ তলত দিয়াৰ দৰে হ'ব:-

- প্ৰতিজন ভাৰতীয় নাগৰিকৰ বাবে ই হ'ব যাদৃচ্ছিকভাবে গঠিত বাৰটা সংখ্যাৰ এটা নম্বৰ। উদাহৰণ: 2653 8564 4663-এই নম্বৰটোকে একক পৰিচয় নম্বৰ (ইউআইডি) অথবা আধাৰ নম্বৰ বুলি কোৱা হ'ব।
- এই নম্বৰটো একক অদ্বিতীয় হ'ব, অৰ্থাৎ এই একেটা নম্বৰ কেতিয়াও দুজন নাগৰিকৰ নাথাকিব।
- কোনো নাগৰিকৰ দুটা একক নম্বৰ থাকিব নোৱাৰে, কাৰণ আধাৰ নম্বৰটো কেৱল নাম, ঠিকনা, বয়স আদি সাধাৰণ তথ্যৰ ওপৰত আধাৰিত নহৈ বায়'মেট্ৰিক তথ্যও সংলগ্ন হ'ব, যি প্ৰতিজন মানুহৰ ক্ষেত্ৰত অনন্য অৰ্থাৎ অদ্বিতীয় হয়।
- ঠগবাজ আৰু প্ৰবঞ্চনা দূৰ কৰিবলৈ, আধাৰ নম্বৰত ইয়াৰ গুৰুত্ব আৰু গঠনৰ ভিত্তিত কোনো ধৰণৰ অতিৰিক্ত তথ্য নাথাকিব। লটাৰি খেলৰ ফলাফলৰ নম্বৰ অথবা পাশাখেলৰ নম্বৰৰ দৰে ই হ'ব যাদৃচ্ছিক নম্বৰ।
- **আধাৰ** পৰিচয় প্ৰমাণ কৰিবলৈহে ব্যৱহৃত হ'ব, নাগৰিকত্ব দাবী কৰিবলৈ নহয়।
- আধাৰ নম্বৰ লোৱাটো ভাৰতীয় নাগৰিকৰ বাবে বাধ্যতামূলক নহ'ব। ই স্বেচ্ছাকৃত হ'ব। যি কি নহওক, ভবিষ্যতে কিছুমান নিৰ্দিষ্ট সেৱা যোগানকাৰী চৰকাৰী নাইবা ব্যক্তিগত সংস্থাই তেওলোকৰ পৰা সা-সুবিধা পাবলৈ হ'লে প্ৰতিজন নাগৰিকৰ আধাৰ নম্বৰ থকাটো হয়তো বাধ্যতামূলক কৰিব।
  উদাহৰণ স্বৰূপে, ৰাজহুৱা বিতৰণ ব্যবস্থা (পিডিএচ) বিভাগে ভবিষ্যতে হয়তো ব্যক্তিৰ আধাৰ নম্বৰত ভিত্তি কৰিয়ে ৰেচন কাৰ্ডৰ যোগান ধৰিব, আৰু সেই নম্বৰটো ৰেচন কাৰ্ডত উল্লেখ থাকিব।

### টোকা: আধাৰ মানে কি?

আধাৰ শব্দটো সৰহ সংখ্যক ভাৰতীয় ভাষালৈ অনুবাদ কৰিলে " ভেঁটি " অৰ্থ প্ৰকাশ কৰে। বাৰটা সংখ্যাৰ এই একক পৰিচয় নম্বৰ প্ৰতিনিধিত্ব কৰিবলৈ এই আধাৰ শব্দটোকে বাচনি কৰা হয়,'যিটো নম্বৰ ভাৰতীয় আৱাসী এজনৰ ডেমগ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰি তাৰ সত্যতা নিৰূপণ কৰাৰ পিচত আৱাসীজনক প্ৰদান কৰা হয়।

### টোকা: ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএচ)


পিডিএচ ব্যৱস্থাই এক বৃহৎ সংখ্যক মানুহক সাঙুৰি এটা নেটৱৰ্কৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰী সমূহৰ যোগান ধৰে, যিটোক আমি সকলোৱে সুলভ মূল্যৰ দোকান বুলি জানো। সামগ্ৰী বিলাক ঘেহু, চাউল, চেনি কেৰাচিন তেল ইত্যাদি হ'ব পাৰে।

# ভাৰতীয় বিশিষ্ট পৰিচয় প্ৰাধিকৰণ (ইউআইডিএআই)

২৮ জানুৱাৰী, ২০০৯ তাৰিখে পৰিকল্পনা আয়োগৰ দ্বাৰা প্ৰাথমিক পৰ্যায়ত ১১৫ জনীয়া বিষয়া কৰ্মচাৰীৰে পৰিকল্পনা আয়োগৰ অধীনৰ সংযুক্ত কাৰ্যালয় হিচাপে ইউআইডিএআই-ৰ সূচনা জাৰী হৈছিল।

ইউআইডিএআই হ'ব নিয়ন্ত্ৰণ কৰ্তৃপক্ষ যিয়ে কেন্দ্ৰীয় পৰিচয়পত্ৰ তথ্য ভঁৰাল (চিআইডিআৰ)-ৰ পৰিচালনা কৰিব, লগতে আধাৰ নম্বৰ যোগান ধৰা, নাগৰিকৰ শেহতীয়া তথ্য উন্নীতকৰণ কৰা আৰু প্ৰয়োজন মতে আৱাসীৰ পৰিচয় প্ৰমাণিত কৰা আদি কামবোৰ কৰিব।

ইউআইডিএআই নিশ্চিত কৰিব যাতে সঠিক আইন, প্ৰযুক্তি আৰু বুনিয়াদী সা-সুবিধা সহ ভাৰতৰ প্ৰতিজন আৱাসীক আধাৰত অন্তৰ্ভুক্ত কৰাৰ সুবিধা দিয়া হয়।



## ইউআইডিএআই (UIDAI) ৰ লক্ষ্য আৰু অভিযান

ইউআইডিএআইৰ লক্ষ্য আৰু অভিযান সমূহ হ'ল

- ইউআইডিএআই-এ ভাৰতীয় আৱাসীলৈ এনে আধাৰ যুগুতাই দিব
  - যি সহজতে, অতি শীঘ্ৰে আৰু অতি কম খৰচতে সত্যতা নিৰূপণ কৰিব পৰা হ'ব।
  - যিয়ে নকল আৰু ভুৱা পৰিচয়পত্ৰবোৰ নাইকিয়া কৰিব।

- ইউআইডিএআই-এ সমগ্ৰ ভাৰতৰ আৱাসীক সামৰি ল'ব খোজে, কিন্তু লক্ষ্য হব ভাৰতৰ দৰিদ্ৰখিনিক তালিকাভূক্তি কৰাত। সাধাৰণতে দুখীয়া মানুহখিনিৰ নিজৰ পৰিচয় তুলি ধৰিব পৰা কোনো নথিপত্ৰ নাথাকে। এনে প্ৰতিজন আৱাসীক কোনো ধৰণৰ অসুবিধা নোপোৱাকৈ নাইবা কোনো কষ্ট নিদিয়াকৈ আধাৰ প্ৰদান কৰা হ'ব।




**ছবি ৪: ভাৰতৰ সকলো নিৱাসীক সামৰি**

- ভাৰত চৰকাৰে বহু দীঘলীয়া সময়ৰ পৰা ইয়াৰ আৱাসীৰ লোকপিয়লৰ তথ্য সংগ্ৰহ কৰি আছে।


  যিয়েই নহওক, ভাৰতত ইতিমধ্যে মজুত থকা ৰাজহুৱা বিতৰণ ব্যৱস্থা (পিডিএচ), আয় কৰ, পেন্সন আঁচনি ইত্যাদি পৰিচয়ৰ তথ্যসমৃদ্ধ বিভাগত প্ৰায়েই "চদ্মনামী" আৰু নকল তথ্য জমা আছে।

  উদাহৰণ স্বৰূপে, ৪৫ বছৰীয়া কে এচ কে দুৰ্গা কিছু বছৰৰ আগতে ঢুকাইছিল। অন্য এগৰাকী ৪৩ বছৰীয়া কে দুৰ্গাই মৃত কে এচ কে দুৰ্গাৰ পৰিচয় গ্ৰহণ কৰিলে আৰু সকলো ধৰণৰ সা-সুবিধা লাভ কৰিলে যিবোৰৰ কাৰণে তেও উপযুক্ত নাছিল। আধাৰে এনে ধৰণৰ ঠগ-প্ৰবঞ্চনা বাধা দিব পাৰে।

  এনে ধৰণৰ ভুল-ত্ৰুটি ইউআইডিএআই( UIDAI)-ৰ ডাটাবেছত অন্তৰ্ভুক্ত হোৱাটো বাধা দিবলৈ, ইউআইডিএআই-এ আৱাসীসকলৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্যসমূহৰ সঠিক পৰীক্ষণৰ পিছত হে তেওঁলোকক তালিকাভুক্তকৰণ কৰাৰ আঁচনি লৈছে। এই ব্যৱস্থাই কাৰ্য্যসূচী আৰম্ভ কৰা দিনৰ পৰা সংগৃহীত তথ্যবোৰৰ শুদ্ধতা নিশ্চিত কৰিব। এতিয়া, কোনো ব্যক্তিক যি কোনো সুবিধা প্ৰদান কৰাৰ আগত যদিহে বায়'মেট্ৰিক প্ৰমাণীকৰণ ব্যৱস্থা লোৱা হয়,সেই সমস্যাৰ সমাধান ঘটিব।

**টোকা- ডাটাবেছ**

ডাটাবেছ হৈছে সম্পৰ্কিত তথ্যৰ সংগ্ৰহ। উদাহৰণ ৰূপে, অভিধান এখন ডাটাবেছ। এখন টেলিফোন ডাইৰেক্টৰী এটাও ডাটাবেছৰ উদাহৰণ। কোনো এটা ডাটাবেছ কম্পিউটাৰৰ ভিতৰতো সঞ্চয় কৰি থব পাৰি যাতে সেইবোৰ সহজতে আৰু ক্ষীপ্ৰতাৰে উপলব্ধি কৰিব পৰা যায়।





| নাম | ঠিকনা | বয়স |
|---|---|---|
| এ ৰায় | ৩৪ এম.জি. ৰোড, মুম্বাই -৫৪ | ৫৬ |
| ৰয় এ | এচ.জি মাৰ্গ, বাঙ্গালোৰ -২০ | ৪৩ |
| মুৰুলি কে | ১১ বি, পাতিল কলোনী, কোলকাতা-৭১ | ২৪ |
| সমীৰ জি | মীৰা বাজাৰ, দিল্লী –১ | ৩৩ |
| আৰ প্ৰসাদ | ৪৩ নেতাজী নগৰ, চেন্নাই – ২৩ | ২৬ |
| ডেভিড এম | ১১, পেলেচ ৰোড, মুম্বাই – ১ | ৭৬ |
| ডেভিড এম | পেলেচ ৰোড, মুম্বাই –১ | ৭১ |

| আধাৰ | নাম | ঠিকনা | বয়স | ….. |
|---|---|---|---|---|
| 2341 4564 3244 | এ ৰায় | ৩৪ এম.জি. ৰোড, মুম্বাই -৫৪ | ৫৬ | ….. |
| 1224 6574 2517 | পি সেন | ৪৩, জি.টি ৰোড, গোৱা - ৩২ | ৩৪ | ….. |
| 5423 4526 1232 | মুৰুলি কে | ১১ বি, পাতিল কলোনী, কোলকাতা-৭১ | ২৪ | ….. |
| 5432 4524 6787 | সমীৰ জি | মীৰা বাজাৰ, দিল্লী –১ | ৩৩ | ….. |
| 3456 1324 6754 | ডেভিড এম | ১১, পেলেচ ৰোড, মুম্বাই - ১ – ১ | ৭৬ | ….. |
| | | | | |
| | | | | |
| | | | | |

**ছবি ৫: বায়'মেট্ৰিকৰ ওপৰত ভিত্তি কৰি ডি-ডুপ্লিকেশ্যন কৰাৰ পিছত, সেই চূড়ান্ত ডাটাবেছত এটা ওপৰিঞ্চি আধাৰ কলম থাকে।**

**ডি-ডুপ্লিকেশ্যন:** অমিত বি -এ মুম্বাইত আধাৰৰ কাৰণে আবেদন জনাইছিল আৰু পাইছিল। কিছু বছৰৰ পিছত তেও মুম্বাইৰ পৰা কোলকাতালৈ গুছি গ'ল আৰু তাত আকৌ এবাৰ অমিত ভান'ট নাম লৈ নতুনকৈ আধাৰৰ বাবে আবেদন জনালে। ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য পোৱাৰ পিছত চি আই ডি আৰ (CIDR) ত ডুপ্লিকেটৰ সন্ধান কৰা হয়। যিহেতু অমিত বি-ৰ তথ্যসমূহ ইতিমধ্যে চি আই ডি আৰত উপলব্ধ হৈ আছে, গতিকে নতুন আধাৰ সৃষ্টি নহ'ব আৰু তেওঁৰ আবেদন অগ্ৰাহ্য কৰা হ'ব। এইটো সম্ভৱ হ'ব একমাত্ৰ বায়'মেট্ৰিক তথ্যৰ কাৰণে। কাৰণ অমিতে জন্মৰ তাৰিখৰ প্ৰমাণপত্ৰ সলাই ল'ব পাৰে আৰু বহুতো নাম গ্ৰহণ কৰিব পাৰে, কিন্তু তেওঁ নিজৰ বায়'মেট্ৰিক তথ্য কেতিয়াও সলাব নোৱাৰে- সেই সমূহ হৈছে-তেওঁৰ হাতৰ আঙুলিৰ ছাপ আৰু চকুৰ মণিবলয়। গতিকে মানুহ এজনে এবাৰ ভুল নামেৰে তালিকাভুক্ত কৰিলেও, আইনী প্ৰক্ৰিয়াৰে সলনি নকৰা পৰ্যন্ত তেওঁ সেই নাম সলাব নোৱাৰে।

- ইউআইডিএআই এ সত্যতা প্ৰমাণীকৰণৰ এক শক্তিশালী প্ৰক্ৰিয়া আগবঢ়াব (ইন্টাৰনেট, মোবাইল ফোন, টেলিফোন ইত্যাদিৰ জৰিয়তে) য'ত সংস্থাবোৰে কেন্দ্ৰীয় ডাটাবেছত থোৱা আৱাসীসকলৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্যবোৰ ৰিজাই চাব পাৰে। কেন্দ্ৰীয় ডাটাবেছ এনে এটা কম্পিউটাৰত সংৰক্ষণ কৰা হ'ব যাতে বেংকৰ দৰে ব্যক্তিগত সংস্থাৰ লগতে সকলো চৰকাৰী সংস্থাৰ লগত সংযোগ হৈ থাকিব।




উদাহৰণ ৰূপে, বেংক একাউন্ট খুলিব যাওঁতে বেংকে আধাৰ নম্বৰ বিচাৰিব পাৰে আৰু ব্যক্তিজনৰ বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰি সত্যতা প্ৰমাণৰ বাবে ইউ আই ডি এ আই লৈ প্ৰেৰণ কৰিব পাৰে। বেংকে যোগান ধৰা তথ্যৰ ভিত্তিত ইউআইডিএআই এ চিআইডিআৰ-ৰ ৰেকৰ্ড পৰীক্ষা কৰিব আৰু যদি সেই ডাটা পায় ইউআইডিএআই এ "হয়" (প্ৰকৃত ব্যক্তি বুলি) প্ৰমাণিত কৰিব নাইবা যদি নাপায় "নহয়" (প্ৰকৃত ব্যক্তি নহয় ) বুলি প্ৰত্যুত্তৰ দিব।

কাষত থকা ছবিত ৰমেশ ৰাই আৰু কমল এচ দুয়ো এটা বেংক একাউন্ট খুলিব খোজে আৰু দুয়োজনে নিজৰ নিজৰ পৰিচয়পত্ৰ হিচাপে একেটা আধাৰ নম্বৰ প্ৰেৰণ কৰিছে। ইউআইডিএআই-ৰ সত্যতা নিৰূপণত পোৱা গ'ল যে কমল এচ-এ ৰমেশ ৰাই-ৰ আধাৰ নম্বৰটো পঠাই নিজৰ বুলি দেখুৱাইছে। গতিকে কমলৰ অনুৰোধ বেংকে অগ্ৰাহ্য কৰিব।


**চিত্ৰ ৬: সত্যতা নিৰূপণ প্ৰক্ৰিয়া**

- সমগ্ৰ ইউআইডিএআই আন্তঃগাথনিত প্ৰযুক্তিয়ে মুখ্য ভূমিকা পালন কৰিব। নাগৰিকৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্যবোৰ থকা আধাৰ ডাটাবেছ এটা কেন্দ্ৰীয় কম্পিউটাৰত সংৰক্ষণ কৰা হব। আৱাসীসকলৰ তালিকাভুক্তিকৰণ কম্পিউটাৰত কৰা হ'ব আৰু নামভৰ্তিকৰণ কেন্দ্ৰ আৰু চিআইডিআৰ-ৰ মাজত তথ্যৰ আদান প্ৰদান কৰা হ'ব কম্পিউটাৰ নেটৱৰ্কৰ জৰিয়তে। সেৱাপ্ৰদানকাৰী সংস্থাই অনলাইনত নাগৰিকৰ পৰিচয়ৰ সত্যতা নিৰূপণ কৰিব পাৰিব। ইউআইডিএআই লগতে সংৰক্ষণ কৰা তথ্যৰ সুৰক্ষা আৰু নিৰাপত্তাৰ কাৰণে এনে কিছু ব্যৱস্থাপনা কৰিব যাতে সেই তথ্যবোৰ অন্য কোনো অকৰ্তৃত্বশীল ব্যক্তিয়ে চাব নোৱাৰে।

# ইউ আই ডি এ আই ইক' চিষ্টেম

"একোটা ইক' চিষ্টেমত কোনো এক নিৰ্দিষ্ট অঞ্চলৰ সকলো প্ৰাণী আৰু জড় বস্তু একেলগে সমভাৱে থাকে আৰু পৰস্পৰে পৰস্পৰৰ সৈতে সম্পৰ্ক ৰক্ষা কৰে।"

এখন ছবিৰ যোগেদি UIDAI ইক' চিষ্টেমৰ নিদৰ্শন তলত দিয়া হৈছে :




**চিত্ৰ ৭: ইউআইডিএআই ইক' চিষ্টেম**

**ইউআইডিএআই ইক' চিষ্টেমত বিভিন্ন অংশগ্ৰহণকাৰী থাকে আৰু সিহতে সম্পৰ্ক ৰক্ষা কৰি চলে। এই ইক' চিষ্টেমৰ মুখ্য অংশগ্ৰহণকাৰী হৈছে :**

- **ইউআইডিএআই: ভাৰত চৰকাৰৰ দ্বাৰা স্থাপিত আৰু পৰিচালিত এটা অনুষ্ঠান।** ইউআইডি ব্যৱস্থাত নামভৰ্তি কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া বিভিন্ন প্ৰক্ৰিয়া আৰু সত্যতা নিৰূপণ কৰাৰ পদ্ধতিসমূহ ইউআইডিএআই এ আগবঢ়াব।.
- **পৰিচয় কৰাই দিওঁতা:** পৰিচয় কৰাই দিওঁতা জন হৈছে ইউআইডিএআই আৰু পঞ্জীয়কৰ সৈতে পঞ্জীকৃত এজন ব্যক্তি যিজনে উপযুক্ত পৰিচয় পত্ৰ আৰু ঠিকনাৰ প্ৰমাণপত্ৰ নথকা কোনো ব্যক্তিৰ পৰিচয় নিশ্চিত কৰিব। পৰিচয় কৰাই দিওঁতাজনে যিজন ব্যক্তিক চিনি পায় তেওঁৰহে ঠিকনা আৰু পৰিচয়পত্ৰ প্ৰমাণিত কৰিব। এই নিশ্চিতকৰন কৰা হ'ব পৰিচয় কৰাই দিওঁতাৰ আধাৰনম্বৰ আৰু বায়'মেট্ৰিক তথ্যৰ ব্যৱহাৰৰ যোগেদি। গতিকে পৰিচয় কৰাই দিওঁতাজনে নিজৰ নাম প্ৰথমে তালিকাভূক্তি কৰি আধাৰ নম্বৰ লাভ কৰা হ'ব লাগিব।
- **পঞ্জীয়ক**: ভাৰতৰ বাসিন্দাৰ তালিকাভুক্তিৰ বাবে পঞ্জীয়ক হিচাপে থাকিব ইউআইডিএআই-ৰ দ্বাৰা স্বীকৃত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ সকলো সংস্থা । উদাহৰণ স্বৰূপে ৰাজহুৱা খণ্ডৰ বেংক, এল আই চিৰ দৰে বীমা কোম্পানীবোৰ, এলপিজি মাৰ্কেটিং কোম্পানীবোৰ, ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা (আৰএসবিওৱাই), ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিত নিয়োগ আইন (এনআৰইজিএ), ইত্যাদি।
- **নামভৰ্তি কৰা সংস্থা:** আৱাসীৰ নামভৰ্তিৰ বাবে পঞ্জীয়কে নিয়োগ কৰা সংস্থা। সেইবোৰে পঞ্জীয়কৰ হৈ কাম কৰিব পঞ্জীয়কৰ ওচৰত দায়বদ্ধ থাকিব।
- **নামভৰ্তি কৰা সংস্থা নিৰীক্ষক**: তেওঁলোকে নামভৰ্তি কৰা কেন্দ্ৰ স্থাপন কৰি পৰিচালনা কৰিব আৰু তাত

সৃষ্টি হোৱা যিকোনো সমস্যা চম্ভালিব।

- **নামভৰ্তি কৰা সংস্থাৰ অপাৰেটৰ:** তেওঁলোকে আৱাসীৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰিব। তেওঁলোকেই হ'ব আৱাসীৰ সৈতে পোনপটীয়াভাৱে ভাৱ বিনিময় কৰা ব্যক্তিসকল।
- **পৰিবাহক:** নামভৰ্তি কৰা সংস্থাই কোনো কুৰিয়াৰ নাইবা ডাকসেৱাৰ সৈতে বন্দোৱস্ত কৰি ল'ব যাক পৰিবাহক বুলি কোৱা হ'ব আৰু তেওঁলোকে চিআইডিআৰ আৰু নামভৰ্তিকৰণ সংস্থাৰ মাজত বস্তু যোগান ধৰা সংস্থা হিচাপে কাম কৰিব।
- **হাৰ্ডৱেৰ আৰু চফ্টৱেৰ যোগানকাৰী ব্যৱসায়ী :** হাৰ্ডৱেৰ দোকানীয়ে লেপটপ, ডেস্কটপ, প্ৰিন্টাৰ, বায়'মেট্ৰিক ডিভাইচ ইত্যাদিৰ দৰে সামগ্ৰীবোৰৰ যোগান ধৰিব ।চফ্'টৱেৰ যোগানকাৰীয়ে অপাৰেটিং চিষ্টেমৰ চফ্'টৱেৰ (Windows XP, Vista, Windows 7), এপ্লিকেশ্যন চফ্'টৱেৰ ইত্যাদিৰ যোগান দিব।
- **প্ৰশিক্ষণ দিয়া সংস্থা:** এই সংস্থাবোৰে এই প্ৰক্ৰিয়াত জড়িত নামভৰ্তি কৰা অপাৰেটৰ,নিৰীক্ষক, কাৰিকৰী বিভাগৰ কৰ্মচাৰী আদি মানুহক প্ৰশিক্ষণ দিয়ে।
- **পৰীক্ষা আৰু প্ৰমাণপত্ৰ দিওঁতা:** এই সংস্থাবোৰে আধাৰ ব্যৱস্থাত নিজৰ নাম অন্তৰ্ভুক্ত কৰিব বিচৰা ব্যক্তিৰ সবিশেষ পৰীক্ষা কৰিব(নামভৰ্তি কৰা অপাৰেটৰ হিচাপে)কৰিব। এইটো নিশ্চিত কৰিব যাতে উপযুক্ত আৰু প্ৰশিক্ষিত ব্যক্তিয়েহে নামভৰ্তিকৰণৰ কাম চলায়।
- **যোগাযোগ কেন্দ্ৰ: এই কেন্দ্ৰবোৰে** ইউআইডিএআই-ৰ আবেদন সম্পৰ্কীয় সমস্যাবোৰৰ সমাধান কৰিব। যিকোনো ব্যক্তিয়ে হেল্পলাইন নম্বৰত ফোন কৰিব পাৰে নাইবা সমস্যাৰ সবিশেষ জনাই ই-মেইল কৰিব পাৰে।
- **পৰ্টেল চোৱাচিতা কৰা সংস্থা:** এইবোৰ হৈছে ইউআইডিএআই-ৰ ৱেবচাইট চোৱাচিতা কৰা সংস্থা। (http://www.uidai.gov.in).
- **ব্যৱহাৰকাৰী প্ৰমাণিত কৰা সংস্থা:** যিকোনো অনুষ্ঠান/ সংগঠন যিয়ে গ্ৰাহক/ হিতাধিকাৰীৰ পৰিচয় প্ৰমাণিত কৰিব লাগে আৰু সেই ব্যক্তিক তেওঁলোকৰ সেৱাৰ লাভ গ্ৰহণ কৰাৰ বাবে অনুমতি প্ৰদান কৰিব লাগে, যেনে বেংকৰ সেৱাৰ বাবে গ্ৰাহকৰ পৰিচয় নিশ্চিতকৰণ কৰি তেওঁলোকৰ নিজৰ চেভিংচ্ একাউন্ট খুলি চাব পৰা সুবিধা দিয়া। একেদৰে এনআৰইজিএ-ৰ ক্ষেত্ৰত নাম ভৰ্তি কৰা শ্ৰমিকৰ পৰিচয় চিনি উলিওৱা আৰু তেওঁলোকৰ নিজৰ হাজিৰা বহী খুলি চাবলৈ অনুমতি দিয়া আদি।–

## টোকা: উপযোগী শব্দ

ইউআইডি প্ৰক্ৰিয়াৰ বিষয়ে বুজি পাবলৈ আপুনি জানিবলগীয়া শব্দ কিছুমান তলত দিয়া হৈছে :

- **আধাৰ নম্বৰ:** ই হৈছে চৰকাৰে ভাৰতীয় আৱাসীৰ বাবে প্ৰৱৰ্তন কৰা 12 সংখ্যাৰ নম্বৰ ।
- **কেন্দ্ৰীয় পৰিচয়পত্ৰ তথ্য ভৰাল (চিআইডিআৰ):** ইউআইডিএআই-ৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত তথ্য ভৰাল। ই আধাৰ নম্বৰ জাৰি কৰে, আৱাসীৰ তথ্য আপডেট কৰে আৰু প্ৰয়োজন মতে আৱাসীৰ পৰিচয়পত্ৰ প্ৰমাণিত কৰে।
- **তালিকাভুক্তকৰণ:** এটা প্ৰক্ৰিয়া যাৰ যোগেদি আৱাসীৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰি ইউআইডিএআই এ নিযুক্তি দিয়া পঞ্জীয়কৰ দ্বাৰা তালিকাভুক্তকৰণ কৰা হয়। পঞ্জীয়কজনে তালিকাভুক্তকৰণটো কোনো সংস্থাৰ মাৰফৎ কৰিব পাৰে।
- **তালিকাভুক্তকৰণ কেন্দ্ৰ :** ই হৈছে সেই স্থান য'ত তালিকাভুক্তকৰণ কৰা হয়। প্ৰতিটো কেন্দ্ৰতে তালিকাভুক্তকৰণ সম্পাদন কৰিবলৈ প্ৰয়োজন হোৱা সকলো ব্যৱস্থা থাকে। একোটা তালিকাভুক্তকৰণ কেন্দ্ৰত কেইবাটাও ষ্টেচন থাকিব পাৰে।
- **তালিকাভুক্ত কৰা ষ্টেচন:** ই হৈছে সেই স্থান য'ত আৱাসীৰ ডেম'গ্ৰাফিক আৰু বায়'মেট্ৰিক তথ্য সংগ্ৰহ কৰা হয়। তালিকাভুক্তকৰণ ব্যৱস্থাত এটা কম্পিউটাৰ, বায়'মেট্ৰিক ডিভাইচ আৰু প্ৰিন্টাৰৰ দৰে অন্য কিছুমান সামগ্ৰী থাকে।

## কুইজ

1. ইউআইডিএআই ইক' চিষ্টেমত "পৰিচয় কৰাই দিওঁতা" এই শব্দটোৰ অৰ্থ কি?
2. ইউআইডিএআউ পঞ্জীয়কে কি কৰে?
3. তালিকাভুক্তিকৰণ মানে কি?
4. তালিকাভুক্তিকৰণ সংস্থাৰ নিৰীক্ষকৰ ভূমিকা কি?

## আধাৰৰ পৰা সকলোৰে হব পৰা লাভালাভসমূহ

আৱাসী, পঞ্জীয়ক , তালিকাভূক্তি কৰোতা আৰু ভাৰত চৰকাৰ-এই সকলোৰে লাভালাভসমূহ তলত দিয়া ধৰণৰ:

- **আৱাসী:** আধাৰ হৈ পৰিব পৰিচয়ৰ সত্যতা নিৰূপণৰ বাবে একমাত্ৰ উপাদান। নাগৰিকে এবাৰ নাম পঞ্জীয়ন কৰিলেই প্ৰাপ্ত নম্বৰটো জীৱনকালৰ সকলো সময়ত বহুল কামত ব্যৱহাৰ কৰিব পাৰিব। তেওঁলোকে বেংক একাউন্ট খোলা, পাৰপত্ৰ প্ৰাপ্তি, ড্ৰাইভিং লাইচেঞ্চ প্ৰাপ্তি আদি কামত বাৰে বাৰে পৰিচয়ৰ প্ৰমাণপত্ৰ যুগুতাই দিয়া কামৰ পৰা ৰেহাই পাব।

- বৃহৎসংখ্যক আৱাসী যিসকলৰ বৰ্তমান কোনো পৰিচয়পত্ৰ নাই আৰু যাৰবাবেই হিতাধিকাৰী তালিকাৰ পৰাও নামটো বাদ পৰিছে, তেওঁলোকেও 'পৰিচয় কৰাই দিওঁতা 'আঁচনিৰ অধীনত এটা 'পৰিচয়' বিচাৰি পাব পাৰে। **আধাৰ নম্বৰ** (অথবা ইউআইডি) এইদৰেই সকলো দুৱাৰ খোলাৰ চাবিকাঠি হ'ব পাৰে- বিশেষভাৱে দৰিদ্ৰ সকলৰ বাবে।

- **পঞ্জীয়ক আৰু নামভৰ্তি কৰোতা:** ইউআইডিএআই আৱাসীসকলৰ সকলো তথ্যৰ ডিডুপ্লিকেশ্যন কৰাৰ পিছতহে তালিকাভুক্তিকৰণ কৰে।এই প্ৰক্ৰিয়াই পঞ্জীয়কক তেওঁলোকক ডাটাবেছৰ পৰা নকলবোৰ নোহোৱা কৰি অতি কম খৰছতে উল্লেখযোগ্য পাৰদৰ্শিতা বঢ়াই তুলিবলৈ সহায় কৰে। খৰছৰ প্ৰতি গুৰুত্ব দিয়া পঞ্জীয়ক সকলক, ইউআইডিএআই-ৰ সত্যতা নিৰূপণ কৰা কৰা প্ৰক্ৰিয়াটোৱে কম ধন ব্যয়ত তেওলোকৰ সেৱা লাভ কৰা হিতাধিকাৰীক চিনাক্তকৰণ প্ৰক্ৰিয়াটো নিশ্চিত কৰিব। সামাজিক লক্ষ্যত ধ্যান কেন্দ্ৰিত কৰা পঞ্জীয়ক সকলৰ বাবে, এটা বিশ্বস্ত পৰিচয় নম্বৰে এতিয়ালৈকে প্ৰমাণিত নোহোৱা, ঢুকি নোপোৱা মানুহৰ গোট বোৰক ঢুকি পাব পৰা কৰিব। আধাৰে আগবঢ়োৱা এই শক্তিশালী প্ৰমানিকৰণ প্ৰক্ৰিয়াই সেৱা আৰু সা-সুবিধাৰ মানদণ্ড উন্নত কৰিব, আৱাসীসকলৰ জীৱন আগতকৈ সন্তুষ্টিৰে ভৰা কৰি তুলিব।
- **চৰকাৰ:** বিভিন্ন আচনিৰ অধীনত নকল পৰিচয় থকা ভুৱা হিতাধিকাৰীসকলক নাইকিয়া কৰি চৰকাৰৰ বিত্ত বিভাগৰ শকত অংকৰ ধন বচাব পৰা যাব বুলি আশা কৰা হৈছে। লগতে এই ব্যৱস্থাই চৰকাৰক আৱাসীসকলৰ সঠিক তথ্য প্ৰদান কৰিব লগতে পোনপটীয়া জনকল্যাণমুখী আচনি ৰূপায়ণ কৰিবলৈ শক্তি দিব আৰু চৰকাৰী বিভাগবোৰক বিনিয়োগ আৰু অংশীদাৰীৰ মাজৰ যোগসূত্ৰ ৰাখিবলৈ সমৰ্থ কৰি তুলিব।

## টোকা: এনৰেগা আঁচনি

ভাৰত চৰকাৰে বিভিন্ন সামাজিক আচনিত মোকলাই দিয়া ধনৰ পৰিমাণ বঢ়াই দিয়াত গুৰুত্ব আৰোপ কৰিছে আৰু সমাজৰ দৰিদ্ৰ আৰু অৱহেলিত শ্ৰেণীৰ মানুহৰ বাবে ন-ন আঁচনি এই আশাত মুকলি কৰিছে যাতে তেওলোকেও দেশৰ অৰ্থনৈতিক বিকাশত অংশীদাৰ হ'ব পাৰে।


এনৰেগা আঁচনিৰ শুভাৰম্ভ কৰা কথাটোকে উদাহৰণ স্বৰুপে ল'ব পাৰি। গৱেষণাত প্ৰমাণিত হৈছে যে আঁচনিখনত বহুতো "ত্ৰুটি" আছে তাৰ সুবিধা আৰু লাভসমূহ লক্ষ্য কৰি লোৱা গোটসমূহক ঢুকি নাপালে। কিছু বিশ্লেষকে দেখুৱাই দিলে যে বিত্তীয় বৰ্ষ ২০০৭ ত সৰ্বমুঠ খৰছ কৰা এনৰেগা আঁচনিৰ ভাট্টাৰ সৰ্বমুঠ ৫,৮৪০ কোটিৰ বিপৰীতে মাত্ৰ ১,২৭০ কোটি টকাহে হে প্ৰকৃত দৰিদ্ৰই পাইছিল। চৰকাৰে এই আচনিত ৮,৮২৩ কোটি টকা খৰছ কৰিছিল ২০০৬-০৭বৰ্ষত (আৰু ৩৯,০০০ কোটি ২০০৯-১০ বৰ্ষত) আৰু প্ৰকৃততে ১৪.৭% (১,২৭০ কোটি) হে প্ৰকৃত দৰিদ্ৰ আৱাসীক দিয়া হৈছিল ।

## যোগাযোগ আৰু সচেতনতা সৃষ্টি-এই শব্দৰ ব্যাপক প্ৰচাৰ

আধাৰে ভাৰতৰ সকলো আৱাসীক লাভান্বিত কৰিব। এই বাৰ্তা ভাৰতৰ প্ৰতিটো কোণত প্ৰেৰণ কৰিব লাগিব যাতে প্ৰতিজন আৱাসীকে আধাৰ আৰু ইয়াৰ লাভালাভৰ বিষয়ে জানিব পাৰে। আধাৰৰ সৈতে জনসংযোগ কৰাওঁতে লক্ষ্য কৰিবলগীয়া কথাবোৰ তলত দিয়া হ'ল :

- সম্পূৰ্ণ কভাৰেজ: আধাৰ সম্বন্ধিত বাৰ্তাসমূহ ভাৰতৰ প্ৰতিজন আৱাসীৰ ওচৰ গৈ পায় সেয়া নিশ্চিত কৰক।
- আধাৰৰ বিষয়ে বোধগম্যতা: সকলো আৱাসীকে আধাৰ কি বুজি পায়, ই মানুহক কি কি সুবিধা দিব পাৰে আৰু দৈনন্দিন কামত ইয়াক কিদৰে ব্যৱহাৰ কৰা হ'ব সেই বোৰ বিষয় গম পোৱাটো নিশ্চিত কৰক।
- আধাৰৰ প্ৰক্ৰিয়া বুজি পোৱা: আৱাসীকে আধাৰৰ তালিকাভুক্তকৰণ কৰা প্ৰক্ৰিয়াটো যাতে বুজি পায়, তেওলোকে কেনেকৈ আৰু কেতিয়া আধাৰ লাভ কৰিব আৰু যাৱতীয় অসুবিধা আৰু সমস্যা কেনেকৈ সমাধান কৰিব, সেই প্ৰক্ৰিয়াবোৰ যাতে আয়ত্ব কৰে সেইয়া নিশ্চিত কৰক।
- সদৃশ বোধগম্যতা: ওপৰৰ বোধগম্যমূলক কথাবোৰ সকলোৰে বাবে যাতে একে হয় আৰু সমগ্ৰ দেশত থকা আৱাসীয়ে বুজি পায় সেইয়া নিশ্চিত কৰক।
- তালিকাভুক্তকৰণৰ বাবে মানুহক একত্ৰিত আৰু উৎসাহিত কৰা: মানুহক একত্ৰিত কৰক আৰু আধাৰ নম্বৰ লবলৈ উৎসাহিত কৰক।
- পৰিচয় কৰাই দিওঁতা সকলক উৎসাহী আৰু একত্ৰিত কৰক: গোটেই প্ৰক্ৰিয়াটোত পৰিচয় কৰাই দিওঁতাসকল প্ৰয়োজনীয় সক্ৰিয় সংগঠক,আৰু তেওঁলোকে আধাৰৰ বিষয়ে সমস্ত জানিব লাগিব আৰু প্ৰক্ৰিয়াত পঞ্জীকৃত হ'ব লাগিব।

তলত দিয়া চিত্ৰই আধাৰৰ যোগাযোগ প্ৰক্ৰিয়াৰ স্তৰবোৰ দেখুৱাইছে-




**চিত্ৰ ৪: আধাৰৰ যোগাযোগ প্ৰক্ৰিয়াৰ বিভিন্ন স্তৰ**

ইউআইডিএআই-ৰ সামগ্ৰিক যোগাযোগ আৰু প্ৰচাৰ কৰ্ম প্ৰণালীত ওপৰত দেখুওঁৱাৰ দৰে কেইবাটাও স্তৰ থাকে। ইয়াৰ প্ৰতিটো স্তৰৰ উদ্দেশ্য ভিন্ন ভিন্ন। নামভৰ্তি কৰা সংস্থা দ্বায়বদ্ধ হ'ব তালিকাভুক্তকৰণ প্ৰক্ৰিয়াৰ স্তৰৰ যোগাযোগ আৰু প্ৰচাৰৰ বাবে।

## পদেক্ষপ ১: জনজাগৰণ

**উদ্দেশ্য:** সকলোবোৰ আৱাসীক ঢুকি পাবলৈ প্ৰথাগতভাৱে চলি অহা জনজাগৰণৰ মাধ্যম ব্যৱহাৰ কৰা।

**পৰিকল্পনা:** এই কাৰ্যকলাপ, আচল তালিকাভূক্তিৰ কাম আৰম্ভ হোৱাৰ প্ৰায় 30 দিনৰ আগতে আৰম্ভ কৰিব পাৰি, যদিও জিলা ভিত্তিক সামগ্ৰিক পৰিকল্পনাৰ ওপৰত নিৰ্ভৰ কৰি কেতিয়াবা দিন-তাৰিখ বেলেগ হ'ব পাৰে। যিয়েই নহওক, কিছুমান এনে অঞ্চল থাকিব য'ত জনজাগৰণৰ প্ৰয়োজন নহ'ব।তাৰ মাজৰে দুটামান তলত দিয়া হ'ল:

ক) তালিকাভুক্তকৰণৰ বাবে নিৰ্ধাৰিত লক্ষ্য খুবে নিৰ্দিষ্ট আৰু ই সেই বিশেষ অঞ্চলৰ সকলো জনসংখ্যাক সামৰি ল'ব নোৱাৰে।লগতে যদি বাদ পৰি যোৱা আৱাসীয়ে অনাগত দিনতো অন্তৰ্ভুক্ত হ'ব নিবিচাৰে, তেন্তে জনসংযোগৰ প্ৰয়োজন নাই।

খ) সামৰি লব খোজা অঞ্চলটো বৰ সৰু আৰু থেলিমেলিকৈ সিচৰতি হৈ থকা।এনেকুৱা অঞ্চলত স্থানীয় ৰেডিঅ' আৰু বাতৰি কাকতৰ জৰিয়তে কৰা সীমিত অভিযানেই যথেষ্ট হ'ব।

**চেনেল**: টিভি, ৰেডিঅ', ছপা মাধ্যম, ইণ্টাৰনেট আৰু টেলিকম (সৱিশেষ পিছৰ অধ্যায়ত)

**ভূমিকা:** ইউআইডিএআই-ৰ ভূমিকা হৈছে ডিএভিপি আৰু অন্য ৰাষ্ট্ৰীয় সংস্থাৰ সহযোগত বিষয়বস্তুৰ বিকাশ ঘটোৱা আৰু কাৰ্য্যকৰী কৰা।

**পদক্ষেপ ২:** পৰিচয় কৰাই দিওঁতা আৰু পঞ্জীয়কৰ কাৰ্য্যালয়ৰ কৰ্মচাৰীৰ বাবে তালিকাভুক্তকৰণ আৰু আইইচি (IEC)

**উদ্দেশ্য:** পঞ্জীয়কৰ কাৰ্য্যালয়ৰ বিষয়ববীয়া,পৰিচয় কৰাই দিওঁতাৰ লগতে সেই অঞ্চলৰ বিশ্বাসী যিকোনো ব্যক্তিৰ তালিকাভুক্তকৰণ আৰু শিক্ষণ।

**আচনি:** এই কাৰ্য্যসূচী তালিকাভুক্তকৰণ আৰম্ভ কৰাৰ 45 দিন আগত কৰাটো উচিত আৰু তলত দিয়া কথাবোৰ কাৰ্য্যসূচীত অন্তৰ্ভুক্ত কৰিব পাৰি-

- আধাৰৰ বাবে তালিকাভুক্তকৰণ আৰু শিক্ষণ ল'বৰ বাবে সংশ্লিষ্ট চৰকাৰীকাৰ্য্যালয়ৰ পৰা কৰিব। তেওঁলোকক আমন্ত্ৰণ জনাই এখন চিঠি প্ৰেৰণ
- তথ্যৰ বিস্তাৰৰ বাবে প্ৰায় এঘন্টা সময় প্ৰয়োজন আৰু উপযুক্ত প্ৰস্তুতিৰে কেন্দ্ৰীয় উপ সংমণ্ডল পৰ্যায়ত স্থান বাচনি কৰি কাৰ্য্যসূচী সম্পাদন কৰিলে ভাল। পঞ্জীয়ক কাৰ্য্যালয়ৰ বিষয়ববীয়া, তালিকাভুক্তকৰণ কৰা কৰ্মচাৰী আৰু পৰিচয় কৰাই দিওঁতাসকলক একেলগে একেটা গোটত প্ৰশিক্ষণ দিব পাৰি।
- বহু সংখ্যক গাওঁ একত্ৰিত কৰি এটা কোৰাম নিশ্চিত কৰিব পাৰি।

যদি পঞ্জীয়কসকলে আৱাসীকসকলৰ তালিকাভৰ্তিৰ বাবে পূৰ্বৰ পৰা উপলব্ধ এটা ডাটাবেছ ব্যৱহাৰ কৰে, তেনেহলে এই ক্ষেত্ৰত পৰিচয় কৰাই দিওঁতাৰ মধ্যস্থতাৰ প্ৰয়োজন নহ'বও পাৰে। অৱশ্যে উদগনি জগোৱা সকলৰ পৰিচয় আৰু অংশগ্ৰহণ এইক্ষেত্ৰত লাগিবও পাৰে।

**চেনেল:** ইণ্টাৰ পাৰ্চনেল কমিউনিকেচন (অডিঅ', ভিডিঅ, প্ৰশিক্ষণ, আই ভি আৰ এছ)- সৱিশেষ পিছৰ অংশত

**ভূমিকা:** ইউআইডিএআই-ৰ সহযোগত পঞ্জীয়ক আৰু স্থানীয় চৰকাৰী বিষয়ববীয়াৰ দ্বাৰা।

**স্তৰ ৩.১:** প্ৰাক তালিকাভুক্তিকৰণৰ সচেতনতা

**উদ্দেশ্য:** প্ৰাক তালিকাভূক্তিকৰণৰ আৰু তালিকাভূক্তিকৰণৰ সচেতনতা মানুহ একত্ৰিকৰণত বৰ গুৰুত্বপূৰ্ণ ভূমিকা লয়। লগতে এই স্তৰে আৱাসীকক ক'ত, কেতিয়া আৰু কেনেকৈ তালিকাভুক্ত কৰিব সেই বিষয়েও নিশ্চিত তথ্য যোগান ধৰিব ।

**পৰিকল্পনা:** এই কাৰ্য্যসূচী আচল তালিকাভুক্তকৰণ আৰম্ভ হোৱাৰ প্ৰায় ৭ দিন আগত হ'ব লাগে। এই স্তৰতে সকলো বিলাক যোগাযোগৰ চেনেল আটাইতকৈ বেছি সক্ৰিয় হৈ পৰে। গতিকে, বেছিভাগ মিডিয়া আৰু সক্ৰিয়কৰণ আঁচনিবোৰ এই স্তৰতে পূৰ্ণগতিত চলাই নিব লাগে। যোগাযোগৰ মাধ্যমত থাকিব বেনাৰ, প'ষ্টাৰ, হ'ৰ্ডিং, দেৱাল লিখন, অস্থায়ী দোকান, গীত-নাট ইত্যাদি (সৱিশেষ পিচৰ অংশত)

**ভূমিকা**: পঞ্জীয়কে স্থানীয় আৰু আৰু ৰাজ্যিক চৰকাৰৰ বিষয়ববীয়াৰ সৈতে আগতীয়াকৈ প্ৰয়োজনীয় সকলো অনুমতি লৈ থ'ব লাগে, যাতে স্থানীয় আৰু জিলাভিত্তিক প্ৰচাৰ অভিযানৰ বাবে প্ৰয়োজনীয় সকলো আন্তঃগাঁথনি ঠিকেঠাকে থাকে।

**স্তৰ ৩.২:** তালিকাভুক্তকৰণ সজাগতা

**উদ্দেশ্য:** এই কাৰ্য্যকলাপত তালিকাভৰ্ত্তিৰ দিনা তালিকাভুক্তকৰণ বুথৰ চাৰিওফালৰ কামকাজবোৰকে প্ৰাথমিক ভাৱে গুৰুত্ব দিয়া হ'ব।

**আচনি:** এই চেনেলত থাকিব-বেনাৰ, পোষ্টাৰ, প্ৰচাৰ পত্ৰিকা, ষ্টেণ্ডী, অস্থায়ী দোকান, গাড়ী, ভিডিঅ আদি (সৱিশেষ পিছৰ অংশত)

**ভূমিকা:** পঞ্জীয়কৰ লগতে স্থানীয় ডিএভিপি, ডিএফপি (ক্ষেত্ৰ প্ৰচাৰ বিভাগ), গীত নাট বিভাগ আৰু অন্যান্য আনুসাঙ্গিক সংস্থাবোৰ

## স্তৰ ৪: আধাৰৰ প্ৰয়োগ

এইটো হৈছে তালিকাভুক্তকৰণ কৰাৰ পিছৰ পৰ্য্যায় য'ত গ্ৰাহকে আচলতে আধাৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰে আৰু ইয়াৰ পৰা পোৱা সুবিধাবোৰ উপভোগ কৰিব ধৰে। এই পৰ্য্যায়ৰ মুখ্য উদ্দেশ্যবোৰ হৈছে নিজৰ পৰিচয় প্ৰমাণিত কৰিবলৈ গ্ৰাহকে কেনেকৈ আধাৰ ব্যৱহাৰ কৰিব লাগে সেইটো বুজি পোৱাটো আৰু লগতে তেওঁলোকে আধাৰৰ পৰা কি কি সুফল লাভ কৰে সেইয়া জনাটো।

## সচেতনতা কেনেকৈ বিয়পাব?

সচেতনতা বৃদ্ধিৰ বাবে কেইবাটাও যোগাযোগৰ মাধ্যম ব্যৱহাৰ কৰিবলগীয়া হয়। তাৰে কেইটামান মাধ্যম হ'ব পাৰে:

ক) **ব্ৰডকাষ্ট**: প্ৰথাগতভাৱে চলি অহা আৰু নতুন জন সংযোগ মাধ্যম

খ) **তথ্য**: ব্ৰডকাষ্ট মাধ্যমৰ ভিতৰৰ আৰু বাহিৰৰ তথ্য সূত্ৰ

গ) **বাহ্যিক/আউটদ'ৰ:** ঘৰৰ চাৰিবেৰৰ বাহিৰত হোৱা সকলো স্থানীয় কাৰ্যকলাপ,যিবোৰ ঢুকি পাব পাৰি।

ঘ) **মনোৰঞ্জন:** কথাছবি, নাটক/ থিয়েটাৰ, গান আৰু অন্যান্য প্ৰাসংগিক মনোৰঞ্জনৰ আহিলা

ঙ) **মুখা-মুখী আলোচনা**: এজনে আনজনৰ লগত নাইবা দলীয়ভাৱে হোৱা বাৰ্তালাপ

চ) **ইউআইডিএআই-ৰ সহযোগী আন্ত:গাথনি:** পঞ্জীয়ক আৰু তালিকাভুক্তকৰণ কৰা সংস্থাৰ বুনিয়াদী গঠন।

সহায়কাৰী প্ৰশিক্ষিত ব্যক্তি, চিত্ৰকৰ্ম, বিষয়বস্তু আৰু ডিজাইন সম্বলিত প্ৰচাৰ পত্ৰিকা আদি ইউআইডিএআই-ৰ সজাগতা আৰু যোগাযোগকাৰী দলৰ দ্বাৰা যোগান ধৰা হ'ব।

**আধাৰ বিষয়ক যিকোনো বিষয়বস্তু স্থানীয়ভাৱে সৃষ্টি কৰিবলৈ হ'লে ইউআইডিএআই-ৰ অনুমোদনৰ প্ৰয়োজন হ'ব।**

## সংক্ষিপ্ত ৰূপ/ চমু নাম

| শব্দ | সংজ্ঞা |
|---|---|
| বিপিএল | দৰিদ্ৰ সীমা ৰেখাৰ তলৰ |
| চিআইডিআৰ | কেন্দ্ৰীয় পৰিচয়পত্ৰ তথ্য ভৰাল |
| ইজিঅ'ম | কৰ্তৃত্বশীল মন্ত্ৰীৰ দল |
| এলআইচি | জীৱন বীমা নিগম |
| পিডিএচ | ৰাজহুৱা বিতৰণ ব্যৱস্থা |
| এনপিআৰ | ৰাষ্ট্ৰীয় জনসংখ্যা পঞ্জীয়ন |
| এনৰেগা | ৰাষ্ট্ৰীয় গ্ৰাম্য নিশ্চিত নিয়োগ আইন |
| ইউআইডি | একক পৰিচয় |
| ইউআইডিএআই | একক পৰিচয় প্ৰাধিকৰণ |